## নাগৰিকৰ মৌলিক অধিকাৰ :

সংবিধানে আমাক কেইটামান মৌলিক অধিকাৰ দিছে। অধিকাৰসমূহ প্ৰয়োগ কৰি ব্যক্তিয়ে নিজৰ, লগতে পৰিয়ালৰ তথা সমাজৰ বিকাশ সাধন হোৱা কামত সহযোগিতা আগবঢ়াব পাৰে। এই মৌলিক অধিকাৰসমূহ তলত দিয়া হ'ল -

## সমতাৰ অধিকাৰ :

সমতাৰ অধিকাৰৰ অৰ্থ হ'ল ভাৰতৰ আইনৰ ওচৰত সকলো নাগৰিকেই সমান। কোনো নাগৰিককে ধৰ্ম, জাতি, লিংগ, বংশ, জন্ম স্থান আদিৰ আধাৰত কোনো ভেদভাৱ ৰখা নহয়।

## স্বতন্ত্ৰতাৰ অধিকাৰ :

- এই অধিকাৰৰ জৰিয়তে দেশৰ প্ৰত্যেক নাগৰিকে ভাষণ প্ৰদান, লিখনি আৰু নিজৰ মনোভাৱ প্ৰকাশ কৰাৰ স্বতন্ত্ৰতা (স্বাধীনতা) লাভ কৰিব।
- প্ৰত্যেক নাগৰিকে দেশৰ যিকোনো অংশলৈ যোৱাৰ অধিকাৰ লাভ কৰিব।
- দেশৰ যিকোনো স্থানত বাস কৰাৰ স্বতন্ত্ৰতা লাভ কৰিব।
- নিজৰ ইচ্ছানুসাৰে যিকোনো ব্যৱসায় কৰাৰ স্বতন্ত্ৰতা লাভ কৰিব। কিন্তু তেওঁৰ কাম সমাজ বিৰোধী হ'ব নালাগিব।
- ধন ঘটা আৰু খৰচ কৰাৰ পূৰ্ণ অধিকাৰ লাভ কৰিব।

## শোষণৰ বিৰুদ্ধে অধিকাৰ :

- চৈধ্য বছৰ বয়সৰ তলৰ শিশুক কাৰখানা, কৃষিকাৰ্য্য অথবা আঘাত হ'ব পৰা কামত খটুৱাব নোৱাৰিব।
- কোনো মানুহক কিনা বেচা কৰিব নোৱাৰিব।
- কোনো ব্যক্তিক পাৰিশ্ৰমিক নিদিয়াকৈ কামত খটুৱাব নোৱাৰিব।
- শোষণ চুৰিৰ দৰে কামসমূহ অপৰাধ হিচাবে বিবেচিত হ'ব।

## ধৰ্মীয় স্বতন্ত্ৰতাৰ অধিকাৰ :

- প্ৰত্যেক নাগৰিকৰ যিকোনো ধৰ্মত দীক্ষিত হোৱা, পালন কৰা অথবা প্ৰচাৰ কৰাৰ স্বতন্ত্ৰতা থাকিব।
- কোনো ব্যক্তিয়ে আন ব্যক্তিক কোনো বিশেষ ধৰ্ম পালন কৰিবলৈ বাধ্য কৰাব নোৱাৰিব।

## সাংস্কৃতিক আৰু শিক্ষা সম্পৰ্কীয় অধিকাৰ :

- প্ৰত্যেক নাগৰিকৰ নিজা ভাষা, লিপি আৰু সংস্কৃতি বৰ্তাই ৰখা আৰু তাৰ বিকাশ কৰাৰ অধিকাৰ থাকিব।

## সাংবিধানিক বিধানৰ অধিকাৰ :

- কোনো এগৰাকী নাগৰিকে যেতিয়ালৈকে আইন উলংঘা নকৰে তেতিয়ালৈকে তেওঁ কোনো এটা দোষত দোষী সাব্যস্ত নহয়।
- কোনো এটা অপৰাধৰ বাবে নাগৰিক গৰাকীৰ বিৰুদ্ধে একাধিক বাৰ মোকৰ্দমা চলাব নোৱাৰিব।
- যদি কোনোবাই কোনো ব্যক্তিৰ অধিকাৰ হনন কৰিছে তেনেহ'লে সেই ব্যক্তিজন অধিকাৰ ৰক্ষাৰ হকে আদালতলৈ যাব পাৰে।


ভাৰত চৰকাৰ
ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
(বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগ)
বিধি আৰু ন্যায় মন্ত্ৰালয় (ন্যায় বিভাগ)
মানৱ সম্পদ বিকাশ মন্ত্ৰালয়, নতুন দিল্লী-১১০০০১ ৰ সহযোগত
ৰাজ্যিক সম্পদ কেন্দ্ৰ অসমৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত
website :: www.mhrd.gov.in,www.Mygov.in
website :: www.srcguwahati.in


সাক্ষৰ ভাৰত

আইনী সাক্ষৰতা শৃংখলা - ১

# নাগৰিকৰ কৰ্তব্য আৰু অধিকাৰ



# নাগৰিকৰ কৰ্তব্য আৰু অধিকাৰ

অধিকাৰ আৰু কৰ্তব্য হ'ল এটা আনটোৰ পৰিপূৰক। এটাক বাদ দি আনটোৰ কথা ভাবিবই নোৱাৰি। য'ত অধিকাৰ থাকে তত কৰ্তব্যও থাকে। য'ত কৰ্তব্য থাকে তত অধিকাৰো থাকে। সংবিধানত অধিকাৰৰ লগত কৰ্তব্যও সংযোগ হৈ আছে। মূল কৰ্তব্যসমূহ তলত আলোচনা কৰা হ'ল-

## সংবিধান পালন কৰা :

প্ৰত্যেক নাগৰিকৰ কৰ্তব্য হ'ল সংবিধানত দিয়া কথাসমূহ (নিয়মসমূহ) পালন কৰা। সংবিধানৰ আদৰ্শ, সংস্থান, ৰাষ্ট্ৰীয় পতাকা আৰু ৰাষ্ট্ৰীয় সংগীতক আদৰ কৰা। অৰ্থাৎ যেতিয়া ৰাষ্ট্ৰীয় সংগীত (জন গণ মন..) গোৱা হয় অথবা ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা হয় সন্মান সহকাৰে সাৱধান স্থিতিত ৰাষ্ট্ৰীয় পতাকাৰ ফালে চাই থিয় হৈ থাকিব লাগে।

- উত্তোলন কৰা ৰাষ্ট্ৰীয় পতাকা চাফ-চিকুণ হ'ব লাগে। লেতেৰা অথবা ফটা ছিতা হ'ব নালাগে।
- যদি ৰাষ্ট্ৰীয় পতাকা ফাটি যায় অথবা ফটা টুকুৰা ক'ৰবাত দেখা যায়, তেতিয়া সেইখিনি একেলগ কৰি স সন্মানে গাঁত খান্দি পুতি থ'ব লাগে। সেইখিনি গছত আঁৰি থ'ব বা য'তে ত'তে পেলাই দিব নালাগে।
- সংসদ, বিধান সভাৰ দ্বাৰা গৃহীত নিয়ম-কানুন বা বিধি বিধান পালন কৰিব লাগে। আদালত (ন্যায়পালিকা)ৰ দ্বাৰা দিয়া ৰায় স-সন্মানে পালন কৰিব লাগে।

## আদৰ্শ পালন কৰা :

দেশক ৰক্ষা কৰা সকলো নাগৰিকৰ কৰ্তব্য। সৈন্য বাহিনীত যোগ দি দেশৰ সেৱা কৰিব লাগে। সংকটৰ সময়ত দেশ ৰক্ষাৰ বাবে সৰ্বতোপ্ৰকাৰৰ ত্যাগ স্বীকাৰ কৰিবলৈ সাজু হৈ থাকিব লাগে। দেশৰ শান্তি সম্প্ৰীতি অটুট ৰখাত সহযোগ কৰিব লাগে।

## সমতা আৰু ভাতৃত্ববোধ :

ধৰ্ম, ভাষা, প্ৰদেশ অথবা বৰ্ণ আধাৰিত সকলো ভেদভাব দূৰ কৰি ভাৰতৰ সকলো লোকৰ মাজত সমতা গঢ়ি তুলিব লাগে। মহিলাৰ সন্মান হানি হ'ব পৰা কাম-কাজ ত্যাগ কৰিব লাগে।

## গৌৰৱশালী পৰম্পৰা সংৰক্ষণ কৰা :

আমাৰ সামাজিক সংস্কৃতিৰ গৌৰৱশালী পৰম্পৰাৰ মহত্ব উপলব্ধি কৰিব লাগে আৰু সেইবোৰ সংৰক্ষণ কৰিব লাগে।

## পাৰিপাৰ্শ্বিকতা ৰক্ষা কৰা :

পাৰিপাৰ্শ্বিক অৱস্থা য'ত তৃণ-তৰু, নদী, বন্য জীৱ-জন্তু, চৰাই চিৰিকটি আদি অন্তৰ্ভুক্ত হৈ আছে সেইবোৰ সংৰক্ষণ কৰিব লাগে। সকলো প্ৰাণীৰ প্ৰতি দয়াশীল হ'ব লাগে। গছ-লতা, বায়ু, পানী আদি সকলোবোৰ যদি শুদ্ধভাৱে থাকে, পাৰিপাৰ্শ্বিক অৱস্থাও শুদ্ধভাৱে থাকিব। ইয়াৰ দ্বাৰা মানৱ জাতি বাচি থাকিব। প্ৰাকৃতিক সম্পদৰাশি সাৱধানে ব্যৱহাৰ কৰিব লাগে। ইয়াক যধে মধে ব্যৱহাৰ কৰিব নালাগে।

## বৈজ্ঞানিক দৃষ্টিকোণ :

বৈজ্ঞানিক দৃষ্টিকোণ, মানৱতাবাদ আৰু উদাৰ মনোভাৱৰ বিকাশ কৰিব লাগে। কু-ৰীতি, কু-প্ৰথা আৰু কু পৰম্পৰাসমূহ ত্যাগ কৰিব লাগে। সুস্থ পৰম্পৰাক আঁকোৱালি ল'ব লাগে। জ্ঞান বৃদ্ধি আৰু বিকাশ কৰাৰ প্ৰয়াস কৰিব লাগে। সকলোকে মানৱীয় দৃষ্টিৰে আঁকোৱালি ল'ব লাগে।

## ৰাজহুৱা সম্পত্তিৰ সুৰক্ষা প্ৰদান :

ৰাজহুৱা সম্পত্তিসমূহ সুৰক্ষিত কৰি ৰাখিব লাগে আৰু হিংসাৰ পৰা দূৰত থাকিব লাগে। কোনোবাই যদি ৰাজহুৱা সম্পত্তি অনিষ্ট কৰাৰ চেষ্টা কৰে তেন্তে তেওঁক বাধা দিব লাগে।

## সামূহিক গতি বিধি বৃদ্ধি কৰা :

ব্যক্তিগত আৰু সামূহিক গতি বিধিসমূহৰ দক্ষতা বঢ়াব লাগে আৰু যিবোৰ কামৰ দ্বাৰা ভাগ ল'ব লাগে যাৰ দ্বাৰা ব্যক্তি আৰু দেশৰ বিকাশ হয়- দেশে উন্নতিৰ জখলাত আগুৱাব পাৰে তেনে কামত ভাগ ল'ব লাগে।

## শিশুক শিক্ষা লাভৰ সুবিধা প্ৰদান :

মাক দেউতাক আৰু অভিভাৱকে ছয়ৰপৰা চৈধ্য বছৰ বয়সৰ নিজৰ ল'ৰা ছোৱালী অথবা পালিত সন্তানক শিক্ষা লাভৰ সুবিধা দিব লাগে।

## অন্যান্য কৰ্তব্য :

- নাগৰিক আৰু দেশৰ হিতৰ বাবে ৰাষ্ট্ৰই বিভিন্ন আইন প্ৰণয়ন কৰে। সেয়ে নাগৰিকসকলে আইন মানি চলিব লাগে।
- বিভিন্ন বিকাশমুখী কাম আৰু কল্যাণকামী আঁচনিৰ বাবে ধনৰ আৱশ্যক হয়। ইয়াৰ বাবে দেশে কৰ (টেক্স) আৰোপ কৰে। সততাৰে সময়মতে কৰ আদায় দিয়াটো নাগৰিকৰ কৰ্তব্য।
- প্ৰজাতন্ত্ৰ হ'ল জনতাৰ শাসন। শাসন চলাবৰ বাবে ৰাইজৰ প্ৰতিনিধি নিৰ্বাচন কৰা হয়। তেওঁলোকে লগ হৈ চৰকাৰ গঠন কৰে। নাগৰিকে একো লোভ নকৰাকৈ ভোটদান কৰিব লাগে।
- চৰকাৰী দায়িত্বত নিযুক্তসকলে সেৱাৰ মনোভাৱেৰে নিজৰ দায়িত্ব পালন কৰিব লাগে। কোনো পক্ষপাত নোহোৱাকৈ ৰাষ্ট্ৰৰ হিতৰ বাবে কাম কৰিব লাগে।

নাগৰিকে নিজৰ প্ৰতি, প্ৰতিবেশী আৰু সমাজৰ প্ৰতিও কৰ্তব্য পালন কৰিব লগা থাকে। অন্তত নিজৰ শাৰীৰিক, মানসিক আৰু আৰ্থিক বিকাশৰ বাবে প্ৰয়াস কৰিব লাগে। নিজৰ পৰিয়ালক সুখত ৰাখিব লাগে। নিজৰ পৰিয়াল, গাঁও, নগৰ আৰু সমাজৰ হিত সাধন হোৱা কামত সহযোগ কৰিব লাগে।